# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 19-10-2024
**Time :** 1205 Hrs.

## *Assamese Bulletin*

----------------------------

রাজ্যৰ ৫টা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে কালি অধিসূচনা জাৰি কৰা হৈছে। ইয়াৰ লগে লগে সমষ্টিকেইটাত মনোনয়ন দাখিল প্ৰক্ৰিয়া আৰম্ভ হৈছে। উল্লেখযোগ্য যে ধলাই, চিদলী, বঙাইগাওঁ, বিহালী আৰু চামগুৰি সমষ্টিৰ বাবে অহা ১৩ নৱেম্বৰত উপ নিৰ্বাচন অনুষ্ঠিত হ'ব। ৫টা সমষ্টিত সৰ্বমুঠ ৯ লাখ ১০ হাজাৰ ভোটদাতাই ভোটাধিকাৰ সাব্যস্ত কৰিব। নিৰ্বাচন হ'বলগীয়া সমষ্টিকেইটাত মুঠ এহেজাৰ ৭৮টা ভোটকেন্দ্ৰ স্থাপন কৰা হ'ব। এই পাঁচোটা সমষ্টিত সমষ্টি পুনৰ নিৰ্ধাৰণৰ পূৰ্বে থকা অঞ্চলসমূহ সামৰি এই নিৰ্বাচন অনুষ্ঠিত হ'ব।

উপ-নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া চিৰাং জিলাৰ জনজাতি সংৰক্ষিত চিদলী বিধানসভা সমষ্টিতো জিলা প্ৰশাসনে যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে। জিলাখনৰ আয়ুক্তই কালি সদৰি কৰে যে ১৩ নৱেম্বৰত হ'বলগীয়া ভোটগ্ৰহণ শান্তিপূৰ্ণভাৱে অনুষ্ঠিত কৰিবলৈ প্ৰশাসন সক্ষম হৈ আছে তথা উপ-নিৰ্বাচন সুচাৰুৰূপে পৰিচালনাৰ বাবে সমষ্টিটোত ১৩০০ কৰ্মচাৰী নিয়োগ কৰা হৈছে।

উপ-নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ৰাজ্যৰ পাঁচোটা সমষ্টিতে তালাচী অভিযান বৃদ্ধি কৰা হৈছে। ৮৮ নম্বৰ চামগুৰি বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনক লৈ নগাঁও আৰক্ষীৰ তৎপৰতা বৃদ্ধি পাইছে। জিলাখনৰ বিভিন্ন স্থানত নগাঁও আৰক্ষীয়ে কালি সন্ধিয়া পৰা তালাচী অভিযান আৰম্ভ কৰিছে।

0000000

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি তিনিদিনীয়া মলাৱি ভ্ৰমণৰ অন্তিম দিনা গুৰুত্বপূৰ্ণ বিভিন্ন সাংস্কৃতিক স্থান পৰিদৰ্শন কৰিব। ৰাষ্ট্ৰপতিয়ে কালি মলাৱিৰ ৰাষ্ট্ৰপতি লেজাৰছ ছাক্‌ৱেৰাৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হয়। ভাৰত আৰু মলাৱিয়ে প্ৰতিনিধি পৰ্যায়ৰ আলোচনাৰ অন্তত বিভিন্ন খণ্ডত সহযোগিতাৰ বাবে ৪ খন বুজাবুজিৰ চুক্তিও স্বাক্ষৰ কৰে। আলজেৰিয়া আৰু ম'ৰিটেনিয়াৰ সফল ভ্ৰমণ সামৰি ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মু বৃহস্পতিবাৰে মলাৱিত উপস্থিত হয়। উল্লেখযোগ্য যে শ্ৰীমতী মুৰ্মু আফ্ৰিকাৰ এই তিনিখন দেশ ভ্ৰমণ কৰা প্ৰথমগৰাকী ভাৰতীয় ৰাষ্ট্ৰপতি।

0000000

বিদেশ ৰাজ্যমন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটা আজি দুদিনীয়া ভ্ৰমণসূচীৰে ইণ্ডোনেছিয়ালৈ যাব। তেওঁ কাইলৈ দেশখনৰ ৰাজধানী জাকাৰ্টাত ৰাষ্ট্ৰপতি প্ৰবোৱো সুবিয়াণ্টো আৰু উপ-ৰাষ্ট্ৰপতি জিব্ৰান ৰাকাবুমিং ৰাকাৰ শপতগ্ৰহণ অনুষ্ঠানত অংশগ্ৰহণ কৰিব। ভাৰত আৰু ইণ্ডোনেছিয়াই এইবছৰ দুয়োখন দেশৰ মাজত কূটনৈতিক সম্পৰ্ক স্থাপনৰ ৭৫ বছৰ আৰু ভাৰতৰ পূব-এছিয়াৰ দেশসমূহক গুৰুত্ব প্ৰদানৰ এক্ট-ইষ্ট নীতিৰ এটা দশক সম্পূৰ্ণ হোৱাৰ উদযাপন কৰিছে। ইণ্ডোনেছিয়া এক্ট ইষ্ট নীতিৰ এটা গুৰুত্বপূৰ্ণ স্তম্ভ। বিদেশ মন্ত্ৰালয়ে কৈছে যে

শপতগ্ৰহণ অনুষ্ঠানত শ্ৰীমাৰ্ঘেৰিটাৰ অংশগ্ৰহণে ভাৰত আৰু ইণ্ডোনেছিয়াৰ মাজৰ সৰ্বাত্মক কৌশলগত সহযোগিতা অধিক শক্তিশালী কৰাৰ প্ৰতি ভাৰতৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথাকে সূচাইছে।

oooooo

অহা ২৭ অক্টোবৰত ৰাজ্যজুৰি চতুৰ্থবৰ্গৰ অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষা অনুষ্ঠিত হ'ব। অষ্টম শ্ৰেণী উত্তীৰ্ণ আৰু মেট্ৰিক উত্তীৰ্ণ পৰীক্ষাৰ্থীৰ মাজত দুটা শাখাত এই পৰীক্ষা অনুষ্ঠিত হ'ব। পুৱাৰ ভাগত অনুষ্ঠিত হ'বলগীয়া পৰীক্ষাত ৮ লাখ ২৭ হাজাৰ পৰীক্ষাৰ্থী আৰু দুপৰীয়াৰ ভাগত ৫ লাখ ৫২ হাজাৰ পৰীক্ষাৰ্থীয়ে এই নিযুক্তি পৰীক্ষাত অৱতীৰ্ণ হ'ব।

ooooo

আকাশবাণী গুৱাহাটী যুৱবাণীৰ সংগীত শিল্পী হিচাপে স্বীকৃতিৰ বাবে অফলাইন আবেদনৰ ব্যৱস্থা মুকলি কৰা হৈছে। অসমীয়া আধুনীক গীত, কামৰূপী আৰু গোৱালপৰীয়া লোকগীত, বৰগীত ভজন, গজল, খেয়াল, ৰবীন্দ্ৰ সংগীত, বাদ্যসংগীত আৰু লোক বাদ্য সংগীত শিতানৰ একক শাখাত আৰু দলীয় শাখাত জিকিৰ-জাৰী, বিহুগীত, টোকাৰী গীত, দিহানামত ইচ্ছুক প্ৰাৰ্থীয়ে আবেদন কৰিব পাৰিব। উল্লেখযোগ্য যে দলীয় শাখাত বাদ্য শিল্পীসহ ৫ ৰ পৰা ৮ জন সদস্যহে থাকিব পাৰিব তথা দলৰ সদস্যসকলৰ ফটো সংলগ্ন কৰি সকলোৰে নাম উল্লেখ কৰিব লাগিব। আবেদনকাৰীয়ে আবেদন প্ৰ-পত্ৰ, অনলাইন মাচুল পৰিশোধৰ বাবে যাবতীয় তথ্য আৰু নিয়মাৱলী আকাশবাণী গুৱাহাটী ফেচবুক পেজ এ আই আৰ গুৱাহাটীৰ পৰা ডাউনলোড কৰিব পাৰিব অথবা আকাশবাণী গুৱাহাটীৰ অভ্যৰ্থনা কক্ষৰ পৰা সংগ্ৰহ কৰিব পাৰিব। উল্লেখযোগ্য যে, আবেদন প্ৰ-পত্ৰ পূৰ কৰি ২৫ অক্টোবৰৰ ভিতৰত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ অভ্যৰ্থনাকক্ষত জমা দিব লাগিব।

oooooo

মালয়েছিয়াত চলি থকা দ্বাদশ চুলতান জহৰকাপ প্ৰতিযোগিতাত আজি ভাৰতীয় জুনিয়ৰ পুৰুষৰ দলটো প্ৰথমখন মেচত জাপানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ভাৰতীয় সময় অনুসৰি খেলখন দুপৰীয় ১ বাজি ৩৫ মিনিটত আৰম্ভ হ'ব। ভাৰতে এই মাহৰ ২০ তাৰিখে গ্ৰেট বৃটেইন, ২২ তাৰিখে মালয়েছিয়া আৰু ২৩ তাৰিখে অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

২০১১ চনৰ পৰা আৰম্ভ হোৱা চুলতান জহৰ কাপ প্ৰতিযোগিতাত ইয়াৰ পূৰ্বে ভাৰত আৰু গ্ৰেট বৃটেইনে তিনিবাৰকৈ ছেম্পিয়নৰ খিতাপ অৰ্জন কৰিছিল।

oooo

শিৱসাগৰ জিলাৰ শল'গুৰি নিবাসী বিশিষ্ট শিক্ষাবিদ, সাহিত্যিক খগেন্দ্ৰনাথ ভূঞাৰ যোৱানিশা ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় হাস্পাতালত দেহাবসান হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮৬ বছৰ। ৰংপুৰ গৌৰৱ বঁটাপ্ৰাপক প্ৰয়াত ভূঞা শিৱসাগৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বহুমুখী বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক তথা ৰংপুৰ সাহিত্যসভাৰ প্ৰাক্তন সভাপতি আছিল। তেখেতৰ মৃত্যুত আজি জিলাখনত গভীৰ ছাঁ পৰে। oooo

ৰাজ্য চৰকাৰে অবৈধ অনলাইন ট্ৰেডিং কেলেংকাৰীৰ তদন্তৰ দায়িত্ব অৰ্পণ কৰাৰ পাছতে চি বি আই যথেষ্ট তৎপৰ হৈ পৰিছে। প্ৰবঞ্চনাৰে বিনিয়োগকাৰীৰ কোটি কোটি টকা আত্মসাৎ কৰাৰ ৪১টা গোচৰৰ তদন্ত

আৰম্ভ কৰি কেন্দ্ৰীয় তদন্তকাৰী সংস্থাটোৱে কালি ৰাজ্যৰ অবৈধ অনলাইন ট্ৰেডিং কেলেংকাৰীৰ কেইবাগৰাকীও ভুক্তভোগীৰ ভাষ্য গ্ৰহণ কৰে। ইয়াৰ পূৰ্বে ৰাজ্যিক আৰক্ষীয়ে এই কেলেংকাৰীৰ সৈতে জড়িত কেইবাজনো লোকক গ্ৰেপ্তাৰ কৰিছিল। উল্লেখযোগ্য যে এই কেলেংকাৰীৰ মূল অভিযুক্ত দীপাংকৰ বৰ্মন এতিয়াও পলাতক অৱস্থাত আছে।

ooooo

সমাপ্ত